# গোৱালপাৰা মহাবিদ্যালয়ত প্ৰথম এফ এম ৰেডিঅ' কেন্দ্ৰ উদ্বোধন

## ৰাজ্যৰ আন মহাবিদ্যালয়কো এটাকৈ কমিউনিটি ৰেডিঅ' কেন্দ্ৰৰ ব্যৱস্থা কৰিবলৈ শিক্ষা মন্ত্ৰী ডাঃ পেগুৰ আহ্বান



গোৱালপাৰা ঃ নিজা বাতৰি দিওঁতা, ১৫ ছেপ্টেম্বৰ ঃ গোৱালপাৰা মহাবিদ্যালয়ত স্থাপন কৰা এফ এম ৰেডিঅ' কেন্দ্ৰটো কালি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। এই সন্দৰ্ভত অনুষ্ঠিত উদ্বোধনী সভাত অধ্যক্ষতা কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে। সভাত মন্ত্ৰীজনে মহাবিদ্যালয়ৰ আন্তঃগাঁথনি আৰু চাফ-চিকুণতা তথা ছাত্ৰ-ছাত্ৰীৰ শৃংখলাবদ্ধতাত সন্তুষ্টি প্ৰকাশ কৰে। সভাত মন্ত্ৰীজনে এফ এম ৰেডিঅ' ৮৯.৬ কেন্দ্ৰটো উদ্বোধন কৰি কয় যে এয়া অসমৰ ভিতৰত মহাবিদ্যালয়ত প্ৰথমটো অনাতাঁৰ কেন্দ্ৰ। আমি শিক্ষাৰ ক্ষেত্ৰত বিভিন্ন ডিজিটেল মাধ্যমেৰে শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিছোঁ। শেহতীয়াভাৱে আমি শিক্ষা ব্যৱস্থাত ব্ৰডকাষ্ট আৰম্ভ কৰিছোঁ। এতিয়া আমি ৰাজ্যৰ আন আন মহাবিদ্যালয়কো এটাকৈ কমিউনিটি ৰেডিঅ' কেন্দ্ৰৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনাম। ইপিনে গোৱালপাৰা মহাবিদ্যালয়খন বিশ্ববিদ্যালয়লৈ

*৮ পিঠিলৈ*

ডিব্ৰুগড

উন্নীত কৰা সন্দৰ্ভত সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত মন্ত্ৰীজনে কয় যে গোৱালপাৰা মহাবিদ্যালয়খন ইতিমধ্যে অট'ন'মাছ মহাবিদ্যালয় কৰিবলৈ প্ৰচেষ্টা চলাই আছে আৰু মহাবিদ্যালয়খন অট'ন'মাছ হোৱাৰ পাছত ডিম্‌ড বিশ্ববিদ্যালয়ৰ স্বীকৃতি পাব আৰু তেতিয়া নিজে নিজে ডিগ্ৰী প্ৰদান কৰিব পাৰিব। ইপিনে মন্ত্ৰীজনে কয় যে নামনি অসমৰ ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান গোৱালপাৰা মহাবিদ্যালয়ত সংযোজন হ'ল ৰেডিঅ' গোৱালপাৰা ৮৯.৬ এফ এম। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° সুভাষ বৰ্মনৰ ব্যতিক্ৰমী চিন্তাধাৰাৰে এই অনাতাঁৰ কেন্দ্ৰটো স্থাপন কৰাত মন্ত্ৰীজনে অধ্যক্ষক ভূয়সী প্ৰশংসা কৰে। ইপিনে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে কয় যে এই অনাতাঁৰ কেন্দ্ৰটোৰ জৰিয়তে শিক্ষা, চিকিৎসা, কৃষিৰ লগতে নিবনুৱাসকলৰ বাবে বিশেষ অনুষ্ঠান থকাৰ লগতে সাংস্কৃতিক দিশত বিশেষ অনুষ্ঠান প্ৰচাৰ কৰা হ'ব।